**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 22-06-2025**
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

**::::::::::::::::::::::::::::::::**

তেল আৰু প্ৰাকৃতিক গেছ্ নিগম অ' এন জি চিয়ে আন্তঃৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত চলি থকা অভিযানত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। শিৱসাগৰৰ ভটিয়াপাৰত থকা অ' এন জি চিৰ ৰীগৰ পৰা যোৱা ১১ দিনে হৈ থকা গেছ্ নিৰ্গমন নিয়ন্ত্ৰণৰ বাবে সকলো নিয়ম মানি চেষ্টা চলাই থকা হৈছে বুলি প্ৰতিষ্ঠানটোৰ প্ৰৱন্ধকে জানিবলৈ দিছে। অ' এন জি চিৰ সংকট ব্যৱস্থাপনাৰ দল আৰু বিশেষজ্ঞৰ দলটোৱে প্ৰায় ১০ ট্ৰেইলাৰ ভৰ্তি ৰীগৰ সামগ্ৰী ইতিমধ্যে সফলতাৰে স্থানান্তৰিত কৰিছে। ঘটনাস্থলীৰ পৰা ৰীগৰ অধিকাংশ সামগ্ৰী আঁতৰাই কুপটো কেপিং কৰাৰ বাবে চলাবলগীয়া অভিযানৰ বাবে ইতিমধ্যে সাজু কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় গধুৰ সঁজুলিসমূহ বৰ্তমান সেই স্থানলৈ নি থকা হৈছে। এই স্থানৰ লগতে ইয়াৰ আশে-পাশে থকা অঞ্চলৰ বায়ুৰ গুণাগুণ অবিৰতভাৱে নিৰীক্ষণ কৰি থকা হৈছে আৰু কুপটোৰ পৰা ৩০ মিটাৰৰ বাহিৰত হাইড্ৰোকাৰ্বনৰ উপস্থিতি ধৰা নপৰাটো উৎসাহজনক হিচাপে বিবেচিত হৈছে। এই মূল্যায়নৰ আধাৰত ঘটনাস্থলীৰ পৰা ৫০০ মিটাৰ ব্যাসাৰ্ধৰ বাহিৰত বাস কৰা লোকসকলক ঘৰলৈ উভতি আহি ৰন্ধা-বঢ়া আৰু বিদ্যুতৰ ব্যৱহাৰকে ধৰি স্বাভাৱিক কাম-কাজ পুনৰ আৰম্ভ কৰাটো নিৰাপদ বুলি পৰামৰ্শ দিয়া হৈছে।

০০০০

পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি অম্বুবাচী মহাযোগ ২০২৫ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত গুৱাহাটীৰ পাণ্ডু বন্দৰত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অম্বুবাচী মহাযোগ উদ্বোধন কৰি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ধৰ্মীয় তথা আধ্যাত্মিক তাৎপৰ্যৰ প্ৰতি লক্ষ্য ৰাখি সকলোকে নিয়ম আৰু শৃংখলা বজাই ৰাখি মা কামাখ্যাৰ আশীৰ্বাদেৰে ধন্য হোৱাৰ প্ৰতি আহ্বান জনায়। এই মহাযোগৰ সময়ত মন্দিৰলৈ আগমন হোৱা স্থানীয় তথা দেশী-বিদেশী অগণন ভক্ত আৰু পৰ্যটকে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈও তেওঁ সকলোৰে প্ৰতি অনুৰোধ জনায়। মন্ত্ৰীগৰাকীয়ে লগতে স্থানীয় জনসাধাৰণক সম্পূৰ্ণ আতিথ্যৰ মনোভাৱেৰে বাহিৰৰ পৰা অহা তীৰ্থযাত্ৰীসকলক সহায়-সহযোগ কৰাৰ বাবেও আহ্বান জনায়। পৰ্যটন বিভাগৰ লগতে কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু অন্যান্য বিভাগৰ সুসমন্বয়ৰ জৰিয়তে এইবাৰৰ অম্বুবাচী মহাযোগ যাতে শান্তিপূৰ্ণ আৰু আধ্যাত্মিকভাৱে পালন কৰিব পৰা যায় তাৰ বাবে বিভিন্ন ব্যৱস্থা কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। উল্লেখযোগ্য যে অম্বুবাচী মহাযোগত প্ৰতি বছৰে লাখ লাখ ভক্তৰ সমাগম ঘটে। যোৱা বছৰ প্ৰায় চাৰে ৭ লাখ ভক্তৰ আগমন হোৱাৰ লগতে এইবাৰো কেইবালাখ ভক্তৰ সমাগম হ'ব বুলি অনুমান কৰা হৈছে। অম্বুবাচী মহাযোগৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগে ভক্তিপ্ৰাণ ৰাইজক আদৰিবলৈ কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু বন্দৰ, ভূতনাথ, কামাখ্যা নামনি আৰু আদাবাৰীত প্ৰথমবাৰৰ বাবে **প্ৰণাম** নামেৰে পাঁচটা

আদৰণি কক্ষ স্থাপন কৰিছে। মন্দিৰৰ সমীপৰ বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগতো স্বেচ্ছাসেৱক নিয়োগ কৰা হৈছে। অসম ৰাজ্যিক পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই আদৰণি ভাষণ দিয়াৰ লগতে এই অনুষ্ঠানত কামাখ্যা মন্দিৰৰ দলৈ সমাজৰ বৰ দলৈ, সৰু দলৈ, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়েও অম্বুবাচী মহাযোগৰ মাহাত্ম্য আৰু তাৎপৰ্য সন্দৰ্ভত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, অসম ৰাজ্যিক পৰ্যটন উন্নয়ন নিগমৰ উপাধ্যক্ষ দিলীপ কুমাৰ দাসকে ধৰি বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াৰ লগতে বহু গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

অসম প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে আজি ধুবুৰী জিলাৰ শক্তিপীঠ মহামায়া মন্দিৰ পৰিদৰ্শন কৰে। মন্দিৰত পূজা-অৰ্চনা কৰাৰ পাছত তেওঁ কোকৰাঝাৰ জিলাৰ বাছবাৰীলৈ ৰাওনা হয়।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত লিডছৰ হেডিংলিত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা ঘৰুৱা দল ইংলেণ্ডে আটাইকেইটা উইকেট হেৰুৱাই ৪৬৫ ৰাণ সংগ্ৰহ কৰিছে। দলটো বৰ্তমান ভাৰততকৈ  ৬ ৰানত পিছ পৰি আছে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৫টা, মহম্মদ ছিৰাজে দুটা আৰু প্ৰসিদ্ধ কৃষ্ণই তিনিটা উইকেট দখল কৰিছে। ইয়াৰ আগেয়ে ভাৰতে ৪৭১ ৰান সংগ্ৰহ কৰি ইনিংছ সামৰিছিল।

ভাৰতে নিজৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰি এই বাতৰি যুগুতোৱাৰ পৰলৈকে এটা উইকেট হেৰুৱাই ২৫ ৰাণ কৰি খেলি আছিল। অ'পেনাৰ যশস্বী জয়ছৱালে ৪ ৰাণ কৰি আউট হয়।

০০০০

বজালীৰ বিশিষ্ট সাহিত্যিক, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা অসম চৰকাৰৰ সাহিত্যিক পেন্সনপ্ৰাপ্ত ধীৰেন্দ্ৰ তালুকদাৰৰ যোৱা নিশা হৃদৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। বজালীৰ থলুৱা ভাষাৰ অনন্য দলিল হিচাপে পৰিচিত **বজালীৰ শব্দকোষ** শীৰ্ষক অভিধানৰ প্ৰণেতা তালুকদাৰৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৭ বছৰ। কেইবাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থৰ লেখক তালুকদাৰৰ মৃত্যুত বজালীৰ লগতে অসমৰ শিক্ষা তথা সাহিত্য জগতত শোকৰ ছাঁ পৰিছে। প্ৰৱন্ধ মঞ্জুখা তেওঁ ৰচনা কৰা এখন উল্লেখযোগ্য গ্ৰন্থ। অসম সাহিত্য সভাৰ আজীৱন সদস্য তথা পাঠশালা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত তালুকদাৰে অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম পাঠশালা অধিবেশনৰ স্মৃতিগ্ৰন্থ বজালী বৈভৱৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। মৃত্যু পৰ্যন্ত তেওঁ অখিল ভাৰতীয় সাহিত্য পৰিষদৰ বজালী সমিতিৰ উপ-সভাপতিৰ পদতো অধিষ্ঠিত আছিল। তেওঁৰ মৃত্যুত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ লগতে বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে।

০০০০

সমাপ্ত